# হেৰাই যোৱা সপোনবোৰ



পৰ্যালোচনা | জিতুমণি পাঠক

কোনোবাটো হয়তো লগৰ সমনীয়াবোৰৰ সৈতে খেলিবলৈ ওলাই গৈছিল। বাকী আটাইবোৰ উভতি আহিল। কিন্তু ওভতাৰ বাটত হঠাতে যেন সি ক'ৰবাত হেৰাই থাকিল। আৰু হাঁহিমুখে ঘৰৰপৰা ওলাই যোৱা সেই ছোৱালীজনী; ঘৰৰপৰা স্কুললৈ যি ওলাই গ'ল আৰু কোনোদিনেই উভতি নাহিল। অপেক্ষাৰ হুমুনিয়াহবোৰে পিতৃ-মাতৃৰ বুকুত কৰাল মাৰিলে। আহিব আহিব বুলি ভাবি থকা সিহঁতবোৰৰ কিন্তু শুংসূত্ৰই পোৱা নগ'ল। সিহঁতবোৰৰ উভতি অহাৰ পদশব্দ শুনিবলৈ উৎকণ্ঠিত হৈ ৰোৱা কাণবোৰে সেই শব্দ আৰু কোনোদিনে শুনিবলৈ নাপালে। বাতৰি কাকতৰ 'নিৰুদ্দেশ' শব্দটিৰ তলত থকা সিহঁতৰ হাঁহিমুখীয়া মুখৰ ছবিবোৰ ক্ৰমে বিবৰ্ণ-হালধীয়া হৈ কোনোবা বাকচৰ চুকত পৰি থাকে অতীতৰ এক ডুখৰীয়া স্মৃতি হৈ। সিহঁতবোৰ ক'ত কেনেকৈ এনেদৰে হেৰাই থাকে সেয়া কেতিয়াও জনাটো সম্ভৱ হৈ নুঠেগৈ।

বিশ্বাস কৰিবলৈ টান লাগে যে ভাৰতবৰ্ষত প্ৰতিদিনেই এনেদৰে হেঁৰাই যায় শতাধিক শিশু। পিতৃ-মাতৃৰ বুকুৰ এফাল যেন এই নিষ্পাপ শিশুবোৰে বহিৰ্জগতৰ কুটিল নিষ্ঠুৰতাত কেনেধৰণৰ অবৰ্ণনীয় কষ্টৰ সন্মুখীন হ'বলগাত পৰে সেয়া কল্পনা কৰাটোৱেই চাগে পিতৃ-মাতৃৰ বাবে এক মৃত্যু সদৃশ যন্ত্ৰণা। কিন্তু বাস্তৱৰ পৃথিৱী তাতোকৈ কুটিল, তাতোকৈ নিষ্ঠুৰ। ফুলকুমলীয়া মন-শৰীৰৰ এই শিশুবোৰে সেই নিষ্ঠুৰতাত কিদৰে জীৱন ব্যতিত কৰিবলগীয়া হয় সেয়া শুনাৰ পিছত যিকোনো পিতৃ-মাতৃৰে চাগে শিয়ৰি উঠিব গা, জোৰেৰে খামুচি ধৰিব নিজৰ সন্তানৰ হাত। কিন্তু পিতৃ-মাতৃ-পৰিয়ালৰ মৰমৰ সেই কঠিন আৱেষ্টনী অতিক্ৰমিও সোমাই আহে কিছুমান দানৱৰ হাতোৰা, যাৰ নিষ্ঠুৰতাত পিষ্ট হৈ যায় শতাধিক শিশুৰ স্বপ্ন প্ৰতিদিনে। কিছুদিন পূৰ্বে ৰাজ্যসভাৰ এক প্ৰশ্নোত্তৰ শিতানত সংসদীয় পৰিক্ৰমা বিভাগৰ ৰাজ্যিক মন্ত্ৰী পৱন সিং ঘাটোৱাৰে এই সন্দৰ্ভত আগবঢ়াইছিল এক উদ্বেগজনক তথ্য। সেই তথ্য অনুযায়ী মাত্ৰ যোৱা তিনিটা বছৰত ২.৩৬ লাখ শিশু এইদৰে হঠাতে হেৰাই গৈছিল নিজৰ আপোনজনৰপৰা। সৌভাগ্যক্ৰমে, ইয়াৰে ১,৬১,৮০০ জনৰ শুংসূত্ৰ বিচাৰি পোৱা গৈছিল



যদিও প্ৰায় ৭৫ হেজাৰ শিশুৰ নাম আজিও 'মিছিং' লিষ্টত। এই ৭৫ হেজাৰ মাথোঁ এটি পৰিসংখ্যা নহয়, এয়া যেন এক বৃহৎ সপোনৰ সমাধিক্ষেত্ৰ, য'ত সমাধিস্থ হৈছে শিশুবোৰৰ আপোনজনৰ তথা দেশৰ ভৱিষ্যৎ জীৱনৰ স্বপ্ন।

এই হেৰাই যোৱা শিশুবোৰ, ক'লৈ বাৰু সিহঁতবোৰ গুচি যায়। ঘৰখনৰ স্বপ্নই, মৰমৰ উষ্ণতাই বাৰু আতুৰ নকৰেনে সিহঁতক পুনৰ উভতি আহিবলৈ, মৰমৰ ঘৰখনলৈ। নিশ্চয়কৈয়ে কৰে। ইয়াত কোনো সন্দেহৰ অৱকাশ নাই। কিন্তু বহুতে চাগে অবুজ বয়সতে ঘৰখনৰপৰা



বিচ্ছিন্ন হৈ পাহৰি পেলায় নিজৰ ঘৰখনৰ ঠিকনা। কিছুৰ হয়তো সকলো মনত থকাৰ পিছতো উভতি অহাৰ সকলো পথ ৰুদ্ধ কৰি ৰাখে কিছুমান অপশক্তিয়ে। আৰু কিছুমান হয়তো পিতৃ-মাতৃৰ বুকুত কেতিয়াও নুশুকুৱা ক্ষত এটি হৈ ৰৈ যায়; বাস্তৱ পৃথিৱীত যাৰ অস্তিত্ব আৰু কেতিয়াও বিচাৰি পোৱা নাযায়। মানৱৰ দানৱীয় শক্তিৰ দৌৰাত্ম্যত কোমল বয়সতে মেলানি মাগিবলগীয়া হয় সিহঁতবোৰ এই পৃথিৱীৰপৰা। মৰ্মন্তুদ হ'লেও এয়া এক নিৰ্ঘাত সত্য, ইয়াক অস্বীকাৰ কৰাৰ কোনো উপায় নাই। দিল্লীৰ নয়দাত এটা পশুৰ পাশৱিকতাৰ বলি হৈ মৃত্যু হোৱা অসংখ্য শিশুৰ কংকালেই ইয়াৰ এক জীৱন্ত উদাহৰণ। ৰাজ্যসভাৰ প্ৰশ্নোত্তৰ কালত 'নাৰী আৰু শিশু উন্নয়ন' বিভাগৰ মন্ত্ৰী কৃষ্ণা তীৰ্থৰে হৈ উত্তৰ দিয়াৰ সময়ত ভাৰতত এইদৰে নিৰুদ্দেশ হৈ পৰা শিশুৰ পৰিসংখ্যাত পৱন সিং ঘাটোৱাৰে যথেষ্ট শংকা প্ৰকাশ কৰিছে, কিয়নো প্ৰতিবছৰে যেন এই পৰিসংখ্যা বৃদ্ধি পাবলৈ আৰম্ভ কৰিছে। ঘাটোৱাৰে আৰ্থিক দীনতা আৰু পাৰিবাৰিক তথা সামাজিক অস্থিৰতাক ইয়াৰ দুটা প্ৰধান কাৰক হিচাপে অভিহিত কৰিছে। পাৰিবাৰিক দ্বন্দ্ব তথা দুৰ্বল অৰ্থনৈতিক ভেটিৰ বাবে বহুসংখ্যক শিশুৱে বাহিৰৰ পৃথিৱীখনৰ জটিলতা একো অনুধাৱন নকৰাকৈয়ে হঠাতে আৰম্ভ কৰি দিয়ে নিৰুদ্দেশ যাত্ৰা। বিলাসী চহৰবোৰৰ চাকচিক্যত তথা গ্লেমাৰত মুগ্ধ হৈ চগাৰ দৰে আৰম্ভ হয় সিহঁতৰ যাত্ৰা। কিন্তু এই বিলাসী চহৰবোৰৰ অভ্যন্তৰত থূপ খাই থকা অন্ধকাৰবোৰে দৈত্যৰ দৰে মেৰিয়াই ধৰে সিহঁতবোৰক য'ৰ পৰা মুক্তি পোৱাটো আৰু সিহঁতবোৰৰ বাবে কেতিয়াও সম্ভৱ হৈ নুঠে।

যদিও সামাজিক আৰু অৰ্থনৈতিক স্থিতিক এইদৰে শিশুবোৰ নিৰুদ্দেশ হৈ পৰাৰ দুটা প্ৰধান কাৰক হিচাপে গণ্য কৰা হৈছে, ইয়াৰ সৈতে সম্পৃক্ত হৈ আছে আন এটি ভয়াৱহ কাৰক— মানৱ সৰবৰাহকাৰী দল। এই হেৰাই যোৱা শিশুবোৰৰ সৈতে মানৱ সৰবৰাহকাৰী দলৰ সম্পৰ্কক প্ৰথমবাৰৰ বাবে উন্মোচন কৰিছিল National Human Right Commission (NHRC)ৰ এটি একচন ৰিছাৰ্চ গোটে। NHRCৰ তথ্যমতে যোৱা কেইটিমান বছৰত অতি উদ্বেগজনকভাৱে ভাৰতত বৃদ্ধি পাইছে মানৱ সৰবৰাহকাৰী দলবোৰৰ দৌৰাত্ম্য। এই দুষ্টচক্ৰবোৰে মূলতঃ টাৰ্গেট কৰি লয় অৰ্থনৈতিকভাৱে দুৰ্বল গাঁও তথা চহৰ অঞ্চলবোৰ। কৰ্মসংস্থান তথা সুন্দৰ জীৱন এটাৰ সপোন দেখুৱাই সিহঁতবোৰে কেতিয়াবা পিতৃ-মাতৃৰ সন্মুখেৰেই

উধাও হয় তেওঁলোকৰ হৃদয়ৰ টুকুৰাটিক লৈ। যেতিয়াই পিতৃ-মাতৃৰ চকু খোল খায় তেতিয়া আৰু তেওঁলোকৰ কৰিবলগীয়া একো নাথাকেগৈ। নিজৰ কাম সুকলমে সমাপ্ত কৰি দুষ্টচক্ৰবোৰে তেতিয়া চোং সলায়, টাৰ্গেট কৰি লয় নতুন ঠাইৰ সহজ-সৰল মানুহবোৰৰ নিষ্পাপ শিশুবোৰক। বহুতো মানৱ সৰবৰাহকাৰী গোটৰ এনে এজেণ্টে আকৌ কিছুমান ঠাইলৈ গৈ প্ৰেমৰ জাল পাতে। চিকাৰ হিচাপে বাছি লয় আৰ্থিকভাৱে পাছপৰা ঘৰৰ কিশোৰীবোৰক। অৰ্থ আৰু গ্লেমাৰপূৰ্ণ জীৱনৰ চমকনিৰে পতা সিহঁতৰ জালত সহজে বন্দী হৈ পৰে এই কিশোৰীবোৰ, যাৰ শেষ ঠিকনা হৈ পৰে নগৰ-মহানগৰৰ কোনো কুখ্যাত গলি। নিজৰ ভুল বুজিব পৰাৰ পিছতো সিহঁতৰ ঘূৰি অহাৰ সকলো পথ ৰুদ্ধ হৈ পৰে। বেদনাসিক্ত চকুৰে মাথোঁ মনত পেলায় ক্ৰমে অস্পষ্ট হৈ যাব ধৰা সিহঁতৰ আপোনজনৰ মুখবোৰ।

ঘাটোৱাৰে দাঙি ধৰা পৰিসংখ্যাই দেশবাসীৰ চকু কপালত তুলিছে যদিও বহুতো বেচৰকাৰী সংগঠনে দাবী কৰিছে যে ইয়াৰ প্ৰকৃত পৰিসংখ্যা তাতোকৈ অধিক ভয়াৱহ। কাৰণ আৰ্থিক দীনতাৰে পিষ্ট, শিক্ষা-দীক্ষাত পাছপৰা বহুতো অভিভাৱকে নাজানে যে নিজৰ সন্তানটিৰ নিৰুদ্দেশ হোৱাৰ কথা পুলিচক অৱগত কৰাৰ প্ৰয়োজন। যিসকল আগবাঢ়ি আহে তেওঁলোকৰ প্ৰতিও পুলিচ বাহিনীয়ে তেওঁলোকৰ দুৰ্বল সামাজিক স্থিতিৰ বাবেইনে বা বিষয়টোৰ গুৰুত্ব অনুধাৱন কৰিব নোৱাৰাৰ বাবেই সততে অতি নিষ্ক্ৰিয় ভূমিকা পালন কৰা দেখা যায়। নয়ডাৰ কুখ্যাত 'নিথাৰি কাণ্ড'ৰ সময়ত স্থানীয় থানাবোৰত সঘনে শিশু অপহৃত হোৱাৰ অভিযোগ দাখিল হৈছিল যদিও পুলিচৰ বাবে সেয়া যেন কোনো বিশেষ গুৰুত্ব দিবলগীয়া কথাই নাছিল। ইয়াৰে সুবিধা লৈ এটা বিকৃত মস্তিষ্কৰ নিষ্ঠুৰ ঘাতকে বহুকেইটি শিশুক হত্যা কৰি সিহঁতবোৰৰ শৰীৰৰ অংগবোৰ ভক্ষণ কৰিছিল। এটা ঘৰৰ ভিতৰতে দ'ম বান্ধিছিল বহুকেইটি শিশুৰ মৃতদেহ। পুলিচে প্ৰথমটো কেছতে যদি সঠিক পদক্ষেপ গ্ৰহণ কৰিলেহেঁতেন তেন্তে হয়তো বহুকেইটি শিশুৰ জীৱন ৰক্ষা পৰিল হয়। পৰিস্থিতি যেন আজিও অপৰিৱৰ্তনীয় হৈয়ে আছে। ছুপ্ৰিম ক'ৰ্টৰ কাঢ়া নিৰ্দেশৰ পিছতো পুলিচৰ সক্ৰিয়তা যেন পূৰ্বৰ দৰেই। এজাহাৰ দাখিলৰ পিছত বহুতো তিতা-মিঠা অভিজ্ঞতাৰ অন্তত নিৰুদ্দিষ্ট এখন ছবি প্ৰকাশ হয় বাতৰি কাকতত কোনোবা চুকত। থানালৈ বহুবাৰ তাঁতবাটি কৰাৰ অন্তত পিতৃ-মাতৃয়ে এটা সময়ত জানিবলৈ পায় যে তেওঁলোকৰ সন্তানটি বৰ্তমান National Crime Records Bureau (NCRB)ৰ এটি পৰিসংখ্যাহে মাথোন।

ভাৰতবৰ্ষৰ দৰে এখন বিশাল দেশৰ বিশাল জনসাধাৰণৰ জীৱন-সম্পত্তিৰ সুৰক্ষাৰ বাবে যিদৰে অলেখ আইনী ব্যৱস্থা আছে ঠিক একেদৰে এই নিৰুদ্দিষ্ট শিশুবোৰৰ বাবেও আইনী ব্যৱস্থাৰ কোনো অভাৱ ঘটা নাই। কিন্তু আইন এখনে এই সমস্যাৰ কেতিয়াও সমাপ্তি ঘটাব নোৱাৰে যদিহে কাৰ্যতঃ তাৰ ৰূপায়ণ নঘটে। বৰ্তমান সময়ত অতি ভয়াৱহ ৰূপ ধাৰণ কৰা এই নিৰুদ্দিষ্ট শিশুবোৰৰ বিষয়টোত গুৰুত্ব আৰোপ কৰি কেন্দ্ৰীয় চৰকাৰৰ তৰফৰপৰা প্ৰাৰম্ভিক পৰ্যায়ত 'Trackchild' নামৰ এটি ৱেব প'ৰ্টেলৰ ব্যৱস্থা কৰা হৈছে। ৰাজ্য চৰকাৰসমূহক নিৰ্দেশ দিয়া হৈছে যে প্ৰতিটো নিৰুদ্দিষ্ট শিশুৰ তথ্য যেন ইয়াত সন্নিৱিষ্ট হয়। কিন্তু বাস্তৱত ইয়াৰ কিমান সফল ৰূপায়ণ ঘটে সেয়া সময়েহে ক'ব। অৱশ্যে এই ক্ষেত্ৰত সমাজৰ বিভিন্ন বৰ্গৰ লোকৰো কৰণীয় অলেখ আছে। সাম্প্ৰতিক সময়ত প্ৰচাৰ মাধ্যমৰ যি ব্যাপক প্ৰভাৱ, এই ক্ষেত্ৰত তেওঁলোকেও এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। 'নিৰুদ্দেশ'ক কেৱল এটি বিজ্ঞাপনৰ দৃষ্টিৰে গ্ৰহণ নকৰিলে হয়তো এই নিৰুদ্দিষ্টসকলক বিচাৰি পোৱাটো বহুত সহজ হৈ পৰিব পাৰে। কাৰোবাৰ সন্তানৰ কৃতিত্বৰ কাহিনী লাগে প্ৰচাৰ নহওঁকেই কিন্তু এই হেৰাই যোৱা শিশুবোৰৰ কাহিনী প্ৰচাৰ হোৱাটো অতিকে গুৰুত্বপূৰ্ণ।

